# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-03-2026 **Time :** 1100 Hrs.

শিৱসাগৰ নগৰৰ সমীপৰ কোঁৱৰপুৰ অঞ্চলৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দিখৌ নদীৰ ওপৰত থকা গেমন দলঙৰ মাজৰ এটা অংশ আজি পুৱতি নিশা ভাগি পৰাত ঘাইপথটোৰে সকলো ধৰণৰ যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে, মেৰামতিৰ কাম চলি থকা দলংখনত পুৱতি নিশা এখন ডাম্পাৰ পাৰ হোৱাৰ পাছতে মাজৰ অংশটো ভাগি পৰে। এই ঘটনাত কোনো লোক হতাহত হোৱা নাই। দলংখন ভাগি পৰাৰ ফলত সৃষ্টি হোৱা অসুবিধাৰ বিষয়ে এগৰাকী স্থানীয় লোকে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয় –

বাইট

০০০০০০০

———ৰাজ্যৰ আসন্ন বিধান সভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰৰ কালি অন্তিম দিনা ৬৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ লগে লগে এইবাৰৰ নিৰ্বাচনত মুঠ ৭২২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হোৱাটো নিশ্চিত হয়। ইয়াৰ পূৰ্বে মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল।

চি পি আইয়ে **শিৱসাগৰ** বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়ন প্ৰত্যাহাৰ কৰিছে। সমষ্টিটোৰ বাবে চি পি আইৰ হৈ মদন বৰুৱাই মনোনয়ন দাখিল কৰিছিল। কালি বিয়লি এখন সংবাদমেল যোগে এই কথা প্ৰকাশ কৰি দলটোৱে শিৱসাগৰত বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী অখিল গগৈলৈ সমৰ্থন আগবঢ়াব বুলি স্পষ্ট কৰে। **বজালী** জিলাৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত সমষ্টিটোত এতিয়া মুঠ ৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। **চিৰাং** জিলাত ৪ জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। মনোনয়ন প্ৰত্যাহাৰ কৰা আটাইকেইগৰাকী প্ৰাৰ্থী বিজনী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী আছিল বুলি আমাৰ সংবাদদাতাই জনাইছে। সমষ্টিটোত মুঠ ১৭ গৰাকীয়ে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল।

**নলবাৰী** জিলাত দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। জিলাখনৰ নলবাৰী, বৰক্ষেত্ৰী আৰু টিহু সমষ্টিৰ পৰা মুঠ ১৪ জন প্ৰাৰ্থীয়ে নিৰ্বাচনত অৱতীৰ্ণ হ'ব।

**নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ ভিতৰত ধিং বিধানসভা সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। **কামৰূপ** মহানগৰ জিলাৰ ডিমৰীয়া সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। জিলাখনৰ ৫টা সমষ্টিত মুঠ ২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। **শ্ৰীভূমি** জিলাত কালি ৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। **বিশ্বনাথ** জিলাৰ তিনিওটা বিধানসভা সমষ্টিতে এগৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিছে।

ইপিনে, বিধি বলৱৎকাৰী সংস্থাসমূহে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান তীব্ৰতৰ কৰি তুলিছে। এই সংস্থাসমূহে ১৫ৰ পৰা ২৬ মাৰ্চলৈ চলোৱা অভিযানত নগদ ধন, সুৰা, মাদক দ্ৰব্য আৰু মূল্যবান ধাতুসহ ৩৭ কোটিৰো অধিক টকা মূল্যৰ সামগ্ৰী জব্দ কৰিছে।

০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বিহপুৰীয়া, ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিত বিজেপি প্ৰাৰ্থী তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। তেওঁ লগতে লখিমপুৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰোড শ্ব'ত ভাগ ল'ব। ডঃ শৰ্মাই কালি সৰ্থেবাৰী, বজালী আৰু মঙলদৈত প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে কালি যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। তেওঁ টীয়কত কংগ্ৰেছ প্ৰাৰ্থী পল্লৱী গগৈৰ সমৰ্থনত প্ৰচাৰ চলায়। ডিব্ৰুগড়ৰ খোৱাং সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে কালি প্ৰচাৰ চলায়। ধেমাজিত কংগ্ৰেছ প্ৰাৰ্থী শৈলেন সোণোৱালে অসম জাতীয় পৰিষদৰ চিত্তৰঞ্জন বসুমতাৰীৰ সৈতে এটা ৰোড শ্বত অংশ লয়।

উল্লেখযোগ্য যে, বিজেপি, অগপ আৰু কংগ্ৰেছে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। কাইলৈ আৰু পৰহিলৈ গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

কংগ্ৰেছেও কেইবাগৰাকী তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

আম আদমী পাৰ্টিয়েও কালি তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। আপৰ নেতা অৰবিন্দ কেজৰিৱাল, মনীষ চিচ'ডিয়া, ভগৱন্ত সিং মান, আটিশীকে ধৰি ৪০ জন তাৰকা প্ৰচাৰকে দলটোৰ হৈ ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

নলবাৰী জিলাত নিৰ্বাচনৰ কাম-কাজত গাফিলতি কৰা ১৮ গৰাকী বিষয়া-কৰ্মচাৰীলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। নলবাৰী জিলা নিৰ্বাচনী বিষয়া নিবেদন দাস পাটোৱাৰীয়ে এটা নিৰ্দেশযোগে বিষয়া-কৰ্মচাৰীসকলক ২৪ ঘণ্টাৰ ভিতৰত তেওঁলোকৰ গাফিলতিৰ কাৰণ দৰ্শাবলৈ নিৰ্দেশ দিছে।

০০০০০০০

**সমাপ্ত**